**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 17-08-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্লোবেল ছাউথৰ অন্তৰ্ভুক্ত দেশসমূহক পৰস্পৰৰ বাবে শক্তি হ'ব পৰাকৈ একেলগে থিয় দিবলৈ আহ্বান জনাইছে।

২। জম্মু-কাশ্মীৰত বহু প্ৰতীক্ষিত বিধানসভা নিৰ্বাচন তিনিটা পৰ্যায়ত অনুষ্ঠিত হ'ব।

৩। আন্তৰ্জাতিক মুদ্ৰা নিধি, আই এম এফৰ প্ৰথমগৰাকী উপ-পৰিচালন সঞ্চালক ড০ গীতা গোপীনাথে কৈছে যে, ২০২৩-২৪ বিত্তীয় বৰ্ষত ভাৰতৰ বিকাশ আশা কৰাতকৈ অধিক হৈছে।

৪। বাংলাদেশত কালি অন্তৰ্বৰ্তীকালীন চৰকাৰৰ আৰু চাৰিজন উপদেষ্টাই শপতগ্ৰহণ কৰে।

*আৰু*

৫। পেৰিছত হ'বলগীয়া পেৰালিম্পিকৰ উদ্বোধনী অনুষ্ঠানত টকিঅ' পেৰালিম্পিকৰ স্বৰ্ণ পদক বিজয়ী সুমীত আনতিল আৰু শ্বটপুট তাৰকা ভাগ্যশ্ৰী যাদৱে ভাৰতীয় দলৰ পতাকা কঢ়িয়াব।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গ্লোবেল ছাউথৰ অন্তৰ্ভুক্ত দেশসমূহক পৰস্পৰৰ বাবে শক্তি হ'ব পৰাকৈ একেলগে থিয় দিবলৈ আহ্বান জনাইছে। তৃতীয় ভাৰ্চুৱেল গ্লোবেল ছাউথ সন্মিলনত উদ্বোধনী ভাষণ দি প্ৰধানমন্ত্ৰীয়ে সাম্প্ৰতিক বিশ্বৰ অনিশ্চিত পৰিৱেশ আৰু প্ৰত্যাহ্বানসমূহত আলোকপাত কৰে। তেওঁ কোভিড-১৯ৰ পাৰ্শ্বক্ৰিয়াৰ পৰা বিশ্ব এই পৰ্যন্ত মুক্ত নোহোৱাৰ বিষয়টো উল্লেখ কৰি কয় যে, সংঘাটৰ বিষয়সমূহে গ্লোবেল চাউথ ৰাষ্ট্ৰসমূহৰ বিকাশ যাত্ৰাত উল্লেখযোগ্য প্ৰত্যাহ্বানৰ সৃষ্টি কৰিছে। শ্ৰী মোদীয়ে কয় যে, গ্লোবেল চাউথৰ অন্তৰ্ভুক্ত দেশসমূহ সম্প্ৰতি জলবায়ু পৰিৱৰ্তনৰ লগতে স্বাস্থ্য সুৰক্ষা, খাদ্য সুৰক্ষা আৰু শক্তি সুৰক্ষাৰ দৰে ক্ষেত্ৰত প্ৰত্যাহ্বানৰ মুখামুখি হ'বলগীয়া হৈছে।

প্ৰধানমন্ত্ৰীয়ে আশ্বাস দি কয় যে, ভাৰতে নিজৰ অভিজ্ঞতা আৰু যোগ্যতা গ্লোবেল চাউথৰ দেশসমূহৰ সৈতে ভগাই ল'বলৈ প্ৰতিশ্ৰুতিবদ্ধ। বাণিজ্যৰ সম্প্ৰসাৰণ, সংহত বিকাশ, বহনক্ষম উন্নয়নৰ লক্ষ্য আৰু মহিলা নেতৃত্বৰ বিকাশৰ দৰে বিষয়সমূহত থকা নতুন দিল্লীৰ প্ৰতিশ্ৰুতিবদ্ধতাতো শ্ৰী মোদীয়ে আলোকপাত কৰে। তেওঁ যে, শেহতীয়াকৈ আন্তঃগাঁথনি, ডিজিটীয় ব্যৱস্থা আৰু শক্তি যোগাযোগত গ্লোবেল চাউথ সহযোগিতা বৃদ্ধি হৈছে। প্ৰধানমন্ত্ৰীয়ে কয় যে,ভাৰতে মিছন লাইফ আঁচনিৰ অধীনত সৌৰ শক্তিৰ বিকাশৰ ক্ষেত্ৰত আন দেশকো প্ৰাধান্য দিছে। ইউ পি আইৰ জৰিয়তে ধনৰ লেনদেন প্ৰক্ৰিয়া ভাৰতৰ উদ্যোগত আন কেইবাখনো দেশত আৰম্ভ কৰা হৈছে বুলি উল্লেখ কৰি শ্ৰী মোদীয়ে কয় যে, শিক্ষা, যোগ্যতা নিৰ্মাণ আৰু দক্ষতা বিকাশত গ্লোবেল চাউথ ৰাষ্ট্ৰসমূহৰ অংশীদাৰিত্বৰ ক্ষেত্ৰত উল্লেখযোগ্য প্ৰগতি লাভ কৰা হৈছে।

প্ৰধানমন্ত্ৰীয়ে কয় যে, স্বাস্থ্য সুৰক্ষাৰ বাবে ভাৰতত **এক বিশ্ব, এক স্বাস্থ্য** অভিযান আৰম্ভ কৰা হৈছে আৰু ইয়াৰ মূল লক্ষ্য হৈছে **আৰোগ্য মৈত্ৰী।** তেওঁ কয় যে, নতুন দিল্লীয়ে হস্পিতাল, ডায়েলেছিচ মেচিন, জীৱনদায়িনী ঔষধ আদিৰ সৰবৰাহৰ লগতে আফ্ৰিকা আৰু প্ৰশান্ত মহাসাগৰীয় দ্বীপ ৰাষ্ট্ৰসমূহত জন ঔষধী কেন্দ্ৰৰ ব্যৱস্থা কৰি বন্ধুত্বৰ হাত আগবঢ়াইছে।

সন্মিলনৰ সামৰণিত মন্তব্য প্ৰকাশ কৰি শ্ৰী মোদীয়ে কয় যে, আজিৰ আলোচনাই একেলগে আগবাঢ়ি যোৱাৰ বাবে পথ মুকলি কৰিলে। এই আলোচনাই গ্লোবেল ছাউথ দেশসমূহে নিৰ্ধাৰণ কৰি লোৱা লক্ষ্যত উপনীত হোৱাৰ ক্ষেত্ৰত সহায় কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে। শ্ৰী মোদীয়ে কয় যে, বাণিজ্য ক্ষেত্ৰক শক্তিশালী তোলাৰ বাবে ভাৰতে ২০ লাখ ৫০ হাজাৰ ডলাৰৰ পুঁজি আগবঢ়াব। তদুপৰি প্ৰশিক্ষণৰ বাবে ভাৰতে ১০ লাখ ডলাৰ আগবঢ়াব বুলিও শ্ৰী মোদীয়ে প্ৰকাশ কৰে।

০০০০০০০

উপ-ৰাষ্ট্ৰপতি জগদীপ ধনখড় এদিনীয়া ভ্ৰমণসূচীলৈ আজি অন্ধ্ৰপ্ৰদেশলৈ গৈছে। নেলোৰৰ পুলিচ পেৰেড গ্ৰাউণ্ডত উপস্থিত হোৱা উপৰাষ্ট্ৰপতিগৰাকীক ৰাজ্যপাল আব্দুল নাজিৰ, ৰাজ্যৰ পৌৰ প্ৰশাসন আৰু নগৰ উন্নয়ন মন্ত্ৰী পংগুৰু নাৰায়াণাৰ লগতে মন্ত্ৰী আনম ৰামনাৰায়ণ ৰেড্ডীয়ে আদৰণি জনায়। তাৰ পৰা শ্ৰী ধনখড় ভেংকতেছেলমৰ সৰস্বতী নগৰৰ অক্ষৰা বিদ্যালয়লৈ যায়। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে বিদ্যালয়খনত শিক্ষা ব্যৱস্থা আৰু শিক্ষণ পদ্ধতিৰ বুজ লয়। বিদ্যালয়খনে পৰিচালনা কৰা দক্ষতা বিকাশ কেন্দ্ৰটোও তেওঁ পৰিদৰ্শন কৰে। শ্ৰী ধনখড় স্বৰ্ণভাৰত ন্যাসলৈ যায় আৰু তাত তেওঁক প্ৰাক্তন উপ-ৰাষ্ট্ৰপতি এম ভেংকায়া নায়ডুৱে আদৰণি জনায়। উপ-ৰাষ্ট্ৰপতিগৰাকীয়ে স্বাৰ্ণভাৰত ন্যাসৰ ২৩ সংখ্যক বাৰ্ষিক দিৱস উদযাপন অনুষ্ঠানত মুখ্য অতিথি হিচাপে অংশগ্ৰহণ কৰে।

০০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ২৫ আগষ্টত আকাশবাণীৰ মন কী বাত অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ জনসাধাৰণৰ সৈতে মনৰ ভাৱ ব্যক্ত কৰিব। এয়া হ'ব অনুষ্ঠানটিৰ ১১৩ সংখ্যক খণ্ড।

প্ৰধানমন্ত্ৰীয়ে এই অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। জনসাধাৰণে ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি প্ৰধানমন্ত্ৰীলৈ দিহা পৰামৰ্শ আগবঢ়াব পাৰিব। তেওঁলোকে লগতে নৰেন্দ্ৰ মোদী এপ অথবা মাই গভ মুকলি মঞ্চৰ যোগেদিও পৰামৰ্শ আগবঢ়াব পাৰিব। অনুষ্ঠানটিৰ আসন্ন খণ্ডৰ বাবে ২৩ আগষ্ট পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন এয়াৰ মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

জম্মু-কাশ্মীৰত বহু প্ৰতীক্ষিত বিধানসভা নিৰ্বাচন তিনিটা পৰ্যায়ত অনুষ্ঠিত হ'ব। ইয়াৰ বাবে মনোনয়নপত্ৰ দাখিল প্ৰক্ৰিয়া ২০ আগষ্টত আৰম্ভ হ'ব। আনহাতে ৪ অক্টোবৰত ফলাফল ঘোষণা কৰা হ'ব। জম্মু-কাশ্মীৰ

বিধানসভাত ৯০ খন আসন আছে। প্ৰথম পৰ্যায়ত ১৮ ছেপ্তেম্বৰত পুলৱামা, অনন্তনাগ, ছপিয়ান, কুলগাম, ৰামবান, কিছ্‌ৱাৰ আৰু দোদা জিলাৰ ২৪ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত গান্দেৰবাল, শ্ৰীনগৰ, বাদগাম, পুঞ্চ, ৰিয়েছি আৰু ৰাজৌৰি জিলাৰ ২৬ খন আসনত ২৫ ছেপ্তেম্বৰত ভোট গ্ৰহণ কৰা হ'ব। তৃতীয় তথা অন্তিম পৰ্যায়ত এক অক্টোবৰত বান্দিপ'ৰা, কুপৱাৰা, বাৰামুল্লা, উধমপুৰ, জম্মু, চাম্বা আৰু কাঠুৱা জিলাৰ ৪০ খন আসনত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

বিজেপি, কংগ্ৰেছ, নেচনেল কনফাৰেন্স, পি ডি পি, অপনী পাৰ্টী, ডেম'ক্ৰেটিক প্ৰগ্ৰেছিভ আজাদ পাৰ্টী, চি পি আই (এম)সহ সকলো ৰাজনৈতিক দলৰ লগতে জম্মু-কাশ্মীৰৰ সাধাৰণ জনতাই বিধানসভা নিৰ্বাচনৰ সূচী ঘোষণাক আদৰণি জনাইছে। বিধানসভাৰ মুঠ ৯০ খন আসনৰ ভিতৰত ৭৪ খন সাধাৰণ শ্ৰেণীৰ, সাতখন অনুসূচিত জাতি আৰু ৯ খন অনুসূচিত জনজাতিৰ বাবে সংৰক্ষিত। জম্মু-কাশ্মীৰৰ মুঠ ৮৭ লাখ ৯ হাজাৰ ভোটদাতাৰ ভিতৰত ৪৪ লাখ ৪৬ হাজাৰ পুৰুষ আৰু ৪২ লাখ ৬২ হাজাৰ মহিলা। এইবাৰ তিনি লাখ ৭১ হাজাৰযুৱক-যুৱতীয়ে প্ৰথমবাৰৰ বাবে ভোট দিব। এইবাৰৰ নিৰ্বাচনত ২০ লাখ ৭০ হাজাৰ যুৱ ভোট দাতাই ভোটাধিকাৰ সাব্যস্ত কৰিব। চূড়ান্ত ভোটাৰ তালিকা ২০ আগষ্টত প্ৰকাশ কৰা হ'ব।

০০০০০০০

আন্তৰ্জাতিক মুদ্ৰা নিধি, আই এম এফৰ প্ৰথমগৰাকী উপ-পৰিচালন সঞ্চালক ড০ গীতা গোপীনাথে কৈছে যে, ২০২৩-২৪ বিত্তীয় বৰ্ষত ভাৰতৰ বিকাশ আশা কৰাতকৈ অধিক হৈছে। তেওঁ দৃঢ়তাৰে কয় যে ২০২৭ চনৰ ভিতৰত ভাৰত বিশ্বৰ তৃতীয় বৃহৎ অৰ্থনীতি হিচাপে পৰিগণিত হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।

শ্ৰীমতী গোপীনাথে কয় যে, দেশখনে অনাগত ৫-৬ বছৰত কেইবালাখো অতিৰিক্ত কৰ্মসংস্থাপন সৃষ্টি কৰাৰ প্ৰয়োজন আছে। তেওঁ উল্লেখ কৰে যে, দুচকীয়া যান-বাহন বিক্ৰীৰ পৰা আৰম্ভ কৰি উপভোক্তা সামগ্ৰীৰ দ্ৰুত সৰবৰাহত ভাৰতে উল্লেখযোগ্য প্ৰগতি লাভ কৰিছে।

০০০০০০০০

বাংলাদেশত কালি অন্তৰ্বৰ্তীকালীন চৰকাৰৰ আৰু চাৰিজন উপদেষ্টাই শপতগ্ৰহণ কৰে। ৰাষ্ট্ৰপতি মহম্মদ চাহাবুদ্দিনে ঢাকাৰ বংগ ভৱনৰ দৰবাৰ হলত তেওঁলোকক শপতবাক্য পাঠ কৰোৱায়। অন্তৰ্বৰ্তীকালীন চৰকাৰী মুখ্য উপদেষ্টা অধ্যাপক মহম্মদ ইউনিছৰ লগতে অন্যান্য উপদেষ্টাৰ উপস্থিতিত নতুন উপদেষ্টাসকলে শপতগ্ৰহণ কৰে। এই উপলক্ষে তিনিওখন সেৱাৰ মুৰব্বী সকলো উপস্থিত থাকে। বাংলাদেশ সংবাদ সংস্থাৰ মতে শপতগ্ৰহণ কৰা উপদেষ্টাসকল হ'ল অৰ্থনীতিবিদ ৱাহিদুদ্দিন মাহমুদ, প্ৰাক্তন সম্পাদক মহম্মদ ফাউজুল কবিৰ খান, প্ৰাক্তন কেবিনেট সম্পাদক আলী ইমান মজুমদাৰ আৰু নিষ্ক্ৰিয় বাংলাদেশ ৰাইফলছৰ প্ৰাক্তন সঞ্চালক প্ৰধান লেফটেনেণ্ট জেনেৰেল জাংহাগীৰ আলম চৌধুৰী।

চাৰিওজন উপদেষ্টাৰ শপতগ্ৰহণৰ লগে লগে ইউনিছৰ নেতৃত্বত চলি থকা অন্তৰ্বৰ্তীকালীন চৰকাৰখনৰ উপদেষ্টা পৰিষদৰ সদস্যৰ সংখ্যা ২১ লৈ বৃদ্ধি হৈছে।

ছাত্ৰ সংগ্ৰামৰ ফলস্বৰূপে প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনাই পদত্যাগ কৰি ৫ আগষ্টত দেশ এৰি নতুন দিল্লীত উপস্থিত হৈছে। ইয়াৰ পাছতে সংসদ ভংগ কৰি অধ্যাপক ইউনিছৰ নেতৃত্বত অন্তৰ্বৰ্তীকালীন চৰকাৰ গঠন কৰা হয়।

০০০০০০০০

পেৰিছত হ'বলগীয়া পেৰালিম্পিকৰ উদ্বোধনী অনুষ্ঠানত টকিঅ' পেৰালিম্পিকৰ স্বৰ্ণ পদক বিজয়ী সুমীত আনতিল আৰু শ্বটপুট তাৰকা ভাগ্যশ্ৰী যাদৱে ভাৰতীয় দলৰ পতাকা কঢ়িয়াব। পেৰালিম্পিক গেমছ ২৪ আগষ্টৰ পৰা ৮ ছেপ্তেম্বৰলৈকে ফ্ৰান্সৰ ৰাজধানী পেৰিছত অনুষ্ঠিত হ'ব। এইবাৰৰ মহোৎসৱত ভাৰতৰ ৮৪ গৰাকী এথলিটে অংশগ্ৰহণ কৰিব। পেৰালিম্পিক গেমছত এঠা হৈছে ভাৰতৰ এই পৰ্যন্ত সৰ্ববৃহৎ দল। যোৱাবাৰৰ টকিঅ' পেৰালিম্পিকত ৫৪ গৰাকী ভাৰতী খেলুৱৈয়ে প্ৰতিনিধিত্ব কৰিছিল।

০০০০০০০০

সদ্য সমাপ্ত পেৰিছ অলিম্পিকৰ ৫০ কিলোগ্ৰাম শাখাৰ মহিলাৰ মল্লযুঁজৰ স্বৰ্ণপদকৰ প্ৰতিদ্বন্দ্বিতাত দুখজনকভাৱে অযোগ্য ঘোষিত হ'বলগীয়া হোৱা পাছত ভাৰতীয় মল্লযুঁজাৰু ৰিনেছ ফোগট আজি পুৱা দিল্লীৰ ইণ্ডিৰা গান্ধী আন্তঃৰ্জাতিক বিমান বন্দৰত উপস্থিত হয়। তেওঁক ১০০ গ্ৰাম ওজন বেছি হোৱাৰ বাবে ফাইনেলত খেলাৰ পৰা বাৰণ কৰা হৈছিল। ইয়াৰ বিৰুদ্ধে শ্ৰীমতী ফোগটে ক্ৰীড়া আদালতত আবেদন জনাইছিল আৰু সেয়ে তেওঁ পেৰিছতে আছিল। কিন্তু আদালতত তেওঁৰ আবেদন নাকচ হয়।

নতুন দিল্লীত উপস্থিত হোৱা ৰিনেছ ফোগটক অনুৰাগীসকল বিমান বন্দৰতে বিপুল আদৰণি জনায়। বিমান বন্দৰৰ বাহিৰত খেলুৱৈ গৰাকীৰ পৰিয়াল আৰু আত্মীয়সকলো উপস্থিত আছিল।

০০০০০০০০

**সমাপ্ত**